## ভিয়েনা সন্মিলনৰ কাৰ্যাৱলী ঃ সন্মিলনৰ মূল নীতিসমূহ (Activities of the Vienna Congress : Basic Principles of the Congress)ঃ

ভিয়েনা সন্মিলনৰ প্ৰতিনিধিবৰ্গই সন্মিলনৰ প্ৰাৰম্ভণিতে কিছুমান উচ্চ আদৰ্শৰ কথা ঘোষণা কৰিছিল। তেওঁলোকে ঘোষণা কৰিছিল যে, “ন্যায় আৰু সততাৰ ভিত্তিৰ ওপৰত ইউৰোপৰ সমাজ ব্যৱস্থা পুনৰগঠন”, “বিধ্বস্ত ৰাষ্ট্ৰব্যৱস্থা পুনৰজীৱন”, “নিৰৱচ্ছিন্ন শান্তি স্থাপন” প্ৰভৃতি মহান কৰ্তব্যসমূহ সন্মিলনৰ জৰিয়তে কাৰ্যকৰী কৰা হ'ব। প্ৰকৃতপক্ষে ইউৰোপবাসীয়ে অত্যন্ত উচ্চাশা আৰু আকাংক্ষা লৈ সন্মিলনৰ ফলাফলৰ প্ৰতীক্ষা কৰিছিল; কিন্তু অচিৰেই ইউৰোপৰ জনগণৰ আশা-আকাংক্ষাক নিৰ্বাপিত কৰি সন্মিলনৰ প্ৰতিনিধিবৰ্গই কিছুমান অত্যন্ত প্ৰতিক্ৰিয়াশীল আৰু স্বাৰ্থপৰ নীতি গ্ৰহণ কৰিলে। এই নীতিসমূহৰ মূল উদ্দেশ্য আছিল ইউৰোপৰ পূৰ্বৰ স্বেচ্ছাচাৰী ৰাজবংশসমূহক পুনৰ প্ৰতিষ্ঠা কৰা, ফ্ৰান্সৰ ভৱিষ্যৎ আগ্ৰাসনৰ পথ ৰুদ্ধ কৰা আৰু লগতে নেপোলিয়নৰ পতনত মুখ্য ভূমিকা লোৱা চাৰি শক্তিক বিশেষভাৱে পুৰস্কৃত কৰা। এই লক্ষ্য বা উদ্দেশ্যত উপনীত হ'বৰ বাবে ভিয়েনা মহাসভাই লোৱা তিনিটা মূল নীতি বা বন্দৱস্ত হ'ল- (১) ন্যায্য অধিকাৰ নীতি, (২) শক্তিৰ ভাৰসাম্য, আৰু

(৩) বিজয়ী শক্তিলৈ ক্ষতিপূৰণ বা উপহাৰ। এই তিনি নীতিৰ ভিত্তিত লোৱা কাৰ্যব্যৱস্থাসমূহ তলত আলোচনা কৰা হ'ল।

**১) ন্যায্য অধিকাৰ নীতি (Principle of Legitimacy) :** ন্যায্য অধিকাৰ নীতি হ'ল ফৰাচী কূটনীতি বিশাৰদ টেলিৰেণ্ডৰ উৰ্বৰ মস্তিষ্কৰ অপূৰ্ব উদ্ভাৱন। এই নীতি প্ৰয়োগৰ দ্বাৰা তেওঁ নেপোলিয়নৰ পৰাজয়ৰ ফলস্বৰূপে স্খলিত হোৱা ফ্ৰান্সৰ মৰ্যাদা পুনৰ প্ৰতিষ্ঠা কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। তদুপৰি এই নীতিৰ আন এক লক্ষ্য আছিল নেপোলিয়নে সূচনা কৰা পৰিবৰ্তন সমূহ আৰু ফৰাচী বিপ্লৱ প্ৰসূত জাতীয়তাবাদ, স্বাধীনতা, সাম্য, মৈত্ৰী প্ৰমুখ্যে উদাৰনৈতিক দৃষ্টিভংগীক পদদলিত কৰা। প্ৰকৃতপক্ষে ন্যায্য অধিকাৰ নীতিৰ প্ৰয়োগৰ দ্বাৰা ভিয়েনা মহাসভাই ফৰাচী বিপ্লৱৰ পূৰ্বৰ ৰাজবংশ আৰু ৰাজ্যসীমাসমূহ পুনৰ প্ৰতিষ্ঠা কৰিব বিচৰা হৈছিল। এই ক্ষেত্ৰত ইউৰোপৰ জনগণৰ আশা-আকাংক্ষাক ধূলিস্যাৎ কৰি মহাদেশখনৰ সাৰ্বভৌম প্ৰতিক্ৰিয়াশীল শাসকসকলৰ অকুণ্ঠ সমৰ্থন আৰু অনুমোদন মহাসভাই আহৰণ কৰিছিল। এই নীতিৰ প্ৰয়োগৰ ফলস্বৰূপে নিম্ন উল্লিখিত ধৰণে ইউৰোপৰ ৰাজবংশ আৰু ৰাজ্যসীমা পুনঃপ্ৰতিষ্ঠা কৰা হ'ল—

(ক) ফ্ৰান্স, স্পেইন, নেপল্‌ছ আৰু চিচিলিত বুৰ্বন ৰাজবংশক (House of Bourbon) পুনৰ প্ৰতিষ্ঠা কৰা হ'ল। দুৰ্ভগীয়া ষোড়শ লুইৰ ভায়েক 'কাউণ্ট দি প্ৰভেন্স' (Count de Provence)ক অষ্টাদশ লুই উপাধিৰে ফ্ৰান্সৰ সিংহাসনত অধিষ্ঠিত কৰা হ'ল।

(খ) হলেণ্ডত অৰেঞ্জ ৰাজবংশক (House of Orange) পুনঃস্থাপন কৰা হ'ল।

(গ) চাৰ্দিনিয়া-পিয়েডমণ্টত চেভয় ৰাজবংশক (House of Savoy) আৰু মধ্য ইটালীস্থ পোপৰ ৰাজ্য পুনৰাই পোপক ঘূৰাই দিয়া হয়।

(ঘ) নেপোলিয়নে ক্ষুদ্ৰ ক্ষুদ্ৰ জাৰ্মান ৰাষ্ট্ৰসমূহক লৈ গঠন কৰা 'ৰাইন সংঘ' (Confederation of the Rhine)ৰ অন্তৰ্ভুক্ত অঞ্চলসমূহ পূৰ্বৰ জাৰ্মান ৰজাসকলক পুনৰাই প্ৰদান কৰা হ'ল।

(ঙ) মুঠ ২২ খন কেণ্টন (Cantons) লৈ চুইজাৰলেণ্ডত এক স্বাধীন যুক্তৰাষ্ট্ৰীয় চৰকাৰ প্ৰতিষ্ঠা কৰা হ'ল আৰু ইউৰোপীয় শক্তিবৰ্গই মহাসভাত চুইজাৰলেণ্ডৰ যুক্তৰাষ্ট্ৰৰ নিৰপেক্ষতাক স্বীকৃতি দিলে।

(চ) নেপোলিয়নৰ লগত হোৱা যুদ্ধত হেৰুৱাব লগা হোৱা সকলো স্থান অষ্ট্ৰিয়াই পুনৰাই লাভ কৰাৰ লগতে উত্তৰ ইটালী, টাইৰল, গেলিছিয়া আদিত অষ্ট্ৰিয়াৰ প্ৰভুত্ব ভিয়েনা মহাসভাই স্বীকাৰ কৰাত মেটাৰনিকে বিচৰাৰ দৰেই ইটালীৰ ৰাষ্ট্ৰসমূহৰ ওপৰত অষ্ট্ৰিয়াৰ অসীম প্ৰাধান্য স্থাপন হ'ল। এই সংক্ৰান্তত চি. ডি. হেজেনে মন্তব্য কৰিছে যে, "It was Metternich's desire that Italy should simply be a collection of independent states, should be only a 'geographical expression' and such it was."

এনেদৰে দেখা যায় যে, ন্যায্য অধিকাৰ নীতিৰ জৰিয়তে ভিয়েনা মহাসভাৰ প্ৰতিনিধিবৰ্গই নেপোলিয়নোত্তৰ ইউৰোপৰ ৰাষ্ট্ৰ ব্যৱস্থাৰ পৰিৱৰ্তন অস্বীকাৰ কৰি প্ৰাক্-বিপ্লৱ কালৰ ৰাজনৈতিক অৱস্থা যথাসম্ভৱ পুনঃপ্ৰবৰ্তন কৰিব বিচাৰিছিল।

**২) শক্তিৰ ভাৰসাম্য (Balance of Power) ঃ** ভিয়েনাৰ প্ৰতিনিধিবৰ্গৰ মাজৰ পৰস্পৰৰ প্ৰতি বিদ্বেষ আৰু স্বাৰ্থৰ সংঘাত তথা বিশেষকৈ ভৱিষ্যৎ সম্ভাব্য ফ্ৰান্সৰ আক্ৰমণৰ পৰা ইউৰোপক ৰক্ষা কৰাৰ বাবে শক্তিৰ ভাৰসাম্য নীতি প্ৰয়োগৰ প্ৰয়োজন মহাসভাত দেখা দিছিল। এই নীতিৰ দোহাই দি ফ্ৰান্সৰ শক্তি যথাসম্ভৱ খৰ্ব কৰা হৈছিল। প্ৰাক্ বিপ্লৱ কালত ফ্ৰান্সৰ সীমাৰেখা যিমান দূৰ বিস্তীৰ্ণ আছিল, ফ্ৰান্স পুনৰাই সেই সীমাৰেখালৈ ঘূৰি যাব লগা হৈছিল। ফ্ৰান্সৰ সেনাবাহিনী ভংগ কৰি দিয়া হয় আৰু পাঁচ বছৰৰ বাবে মিত্ৰপক্ষৰ সেনাবাহিনী ফ্ৰান্সত মোতায়েন কৰাৰ ব্যৱস্থা কৰা হয়। এই মিত্ৰপক্ষৰ সেনাৰ ব্যয়ভাৰ ফ্ৰান্সৰ ওপৰত জাপি দিয়া হয়। তদুপৰি ফ্ৰান্সে যাতে ভৱিষ্যতে সৰ্বগ্ৰাসী ক্ষমতা লাভ কৰি আকৌ আক্ৰমণাত্মক নীতি গ্ৰহণ কৰিব নোৱাৰে, তাক সুনিশ্চিত কৰিবলৈ ফ্ৰান্সক চৌদিশে এক শক্তিশালী ৰাষ্ট্ৰৰ আওঠিৰে পৰিবেষ্টিত কৰাৰ ব্যৱস্থা কৰা হ'ল। সেই মৰ্মে নিম্ন উল্লিখিত ধৰণে কাৰ্যব্যৱস্থা লোৱা হ'ল—

(ক) বেলজিয়ামক (অষ্ট্ৰিয়া সাম্ৰাজ্যৰ এক প্ৰদেশ) হলেণ্ডৰ লগত একত্ৰিত কৰি ফ্ৰান্সৰ উত্তৰপ্ৰান্তত এক শক্তিশালী ৰাষ্ট্ৰ গঠন কৰা হ'ল।

(খ) চাৰ্দিনিয়া-পেডিমণ্টৰ লগত জেনোৱাক যুক্ত কৰি ফ্ৰান্সৰ দক্ষিণ-পূব সীমান্তত আন এক শক্তিশালী ৰাষ্ট্ৰ পট্টন কৰা হ'ল।

(গ) প্ৰুচিয়াক ৰাইন অঞ্চলত বিস্তীৰ্ণ অঞ্চল প্ৰদান কৰি ফ্ৰান্সক পশ্চিম সীমান্তত পৰিবেষ্টিত কৰি ৰখা হ'ল। ইয়াৰ জৰিয়তে এই দিশত ফ্ৰান্সৰ যিকোনো আক্ৰমণাত্মক

আঁচনি প্রতিৰোধৰ ক্ষমতা প্রুচিয়াই অর্জন কৰিলে। আনহাতে আকৌ অষ্ট্রিয়া, প্রুচিয়া, ৰুচিয়া আৰু ইংলেণ্ডক ইউৰোপৰ এনেবোৰ অঞ্চলৰ অধিকাৰ দিয়া হয়, যাতে এই চাৰি বৃহৎ শক্তিৰ পাৰস্পৰিক শক্তিসাম্য অব্যাহত থাকে আৰু এটা শক্তি আনটোৰ বাবে বিপজ্জনক হৈ উঠিব নোৱাৰে।

**৩) বিজয়ী শক্তিলৈ উপহাৰ (Reward to the Victors) ঃ** ভিয়েনা মহাসভৰ সকলোতকৈ বিতৰ্কিত বন্দবস্ত হ'ল পৰাভূত শক্তিক শাস্তি প্রদান কৰি বিজেতা শক্তিসমূহক ক্ষতিপূৰণ দিয়া বা পুৰস্কাৰ প্রদান কৰা। এই স্বাৰ্থপৰ নীতিক বাস্তৱত ৰূপায়িত কৰিবলৈ গৈ ভিয়েনা মহাসভাই আনকি বহুদূৰ 'ন্যায্য অধিকাৰ নীতি'ক উলংঘা কৰিছিল আৰু জাতীয়তাবাদী ভাবধাৰাকো পদদলিত কৰিছিল। বিজয়ী শক্তিসমূহক পুৰস্কাৰ আৰু পৰাভূত শক্তিক শাস্তি ভিয়েনা কংগ্ৰেছে নিম্ন উল্লিখিত ধৰণে কৰিছিল—

(ক) নেপোলিয়নৰ পতনত সৰ্বাধিক অৰিহণা যোগোৱা দেশ ইংলেণ্ডে ভিয়েনা বন্দবস্তৰ জৰিয়তে সৰ্বাধিক ক্ষতিপূৰণ লাভ কৰিবলৈ সক্ষম হৈছিল। ইংলেণ্ডে ইউৰোপত হেলিগোলাণ্ড, মাল্টা আৰু আইওনিয়ান দ্বীপপুঞ্জ লাভ কৰিলে। ইয়াৰ উপৰি স্পেইন সাম্রাজ্যৰ অন্তৰ্ভুক্ত ট্রিনিদাদ, ফ্রান্সৰ অধিকাৰভুক্ত মেৰিটিয়াম আৰু টকাগো দ্বীপপুঞ্জ তথা হলেণ্ডৰ অধিকাৰভুক্ত সিংহল আৰু উত্তমাশা অন্তৰীপ লাভ কৰিলে। এই সকলো অঞ্চল লাভৰ ফলত ইংলেণ্ড বিশ্বৰ সৰ্বশ্ৰেষ্ঠ ঔপনিবেশিক শক্তিত পৰিণত হোৱাৰ পথ সুগম হ'ল।

(খ) ৰুচিয়াই পোলেণ্ড আৰু ফিনলেণ্ডৰ কিছু অংশ আৰু তুৰ্কী সাম্রাজ্যৰ অন্তৰ্ভুক্ত বেছাৰাবিয়া লাভ কৰিলে। এনেদৰে ৰুচিয়াৰ ৰাজ্যসীমা পশ্চিম ইউৰোপলৈ প্ৰসাৰিত হোৱাত ইউৰোপীয় ৰাজনীতিৰ ক্ষেত্ৰত ৰুচিয়াৰ প্ৰভাৱ আৰু কূটনৈতিক গুৰুত্ব ক্ৰমাৎ বৃদ্ধি হ'ব ধৰিলে।

(গ) ভিয়েনা বন্দবস্তৰ ফলত প্ৰুচিয়াৰ ভাগ্য বিশেষভাৱে উদয় হৈছিল আৰু এই জাৰ্মান ৰাষ্ট্ৰখনৰ পৰিসীমা দুগুণলৈ বৃদ্ধি হৈছিল। এই সম্মিলনৰ সিদ্ধান্ত মৰ্মে প্ৰুচিয়াই লাভ কৰিলে চেক্সনীৰ দুই-পঞ্চমাংশ (২/৫), পোলেণ্ড আৰু ৱেষ্টফেলিয়াৰ কিছু অংশ, পোচেন প্ৰদেশ, চুইডিচ পোমাৰানিয়া, ডানজিগ নগৰী, থৰ্ন আৰু লগতে ৰাইন নদীৰ বাওঁপাৰৰ প্ৰদেশসমূহ। উপৰিউক্ত অঞ্চলসমূহৰ বহু অংশ খনিজ সম্পদত অত্যন্ত চহকী হোৱা হেতু প্ৰুচিয়া কৃষিপ্ৰধান ৰাষ্ট্ৰৰ পৰা দ্ৰুত শিল্পপ্ৰধান ৰাষ্ট্ৰলৈ

পৰিৱৰ্তিত হ'ল। ৰাইন নদীৰ কাষৰীয়া প্ৰদেশসমূহ লাভ কৰাৰ জৰিয়তে জাৰ্মানীত ফ্ৰান্সৰ বিপক্ষে এক প্ৰবল প্ৰতিবন্ধক শক্তি ৰূপে প্ৰুচিয়াই থিয় দিলে।

(ঘ) অষ্ট্ৰিয়াই শক্তি সাম্য ৰক্ষাৰ বাবে হলেণ্ডক নিজ সাম্ৰাজ্যৰ বেলজিয়াম অৰ্পণ কৰাৰ ক্ষতিপূৰণ স্বৰূপে ইটালীত ভেনিচিয়া আৰু লোম্বাৰ্ডি আহৰণ কৰিলে। ইটালীৰ টাচকেনি, পাৰ্মা আৰু মডেনাত অষ্ট্ৰিয়াৰ হেপচবাৰ্গ ৰাজবংশৰ প্ৰতিনিধিক পুনৰ সংস্থাপিত কৰাত ইটালীৰ ওপৰত অষ্ট্ৰিয়াৰ প্ৰভুত্ব যথেষ্ট বৃদ্ধি হ'ল। প্ৰকৃততে ইটালীৰ ৰাজ্যাংশ লাভে অষ্ট্ৰিয়াৰ নৌ শক্তি বৃদ্ধি কৰিছিল আৰু লগতে ইটালীৰ ঐক্যবন্ধনৰ ক্ষেত্ৰত অষ্ট্ৰিয়া প্ৰবল প্ৰতিবন্ধক স্বৰূপ হৈ উঠিছিল। ইয়াৰ উপৰি ভিয়েনা বন্দবস্তৰ দ্বাৰা অষ্ট্ৰিয়াই পূব চাইলেচিয়া আৰু বেভেৰিয়াৰ অন্তৰ্ভুক্ত টাইৰল আহৰণ কৰিবলৈ সক্ষম হৈছিল।

(ঙ) নৰৱেক ডেনমাৰ্কৰ পৰা বিচ্ছিন্ন কৰি চুইডেনক প্ৰদান কৰা হ'ল, যিহেতু চুইডেনে ৰুচিয়াক ফিনলেণ্ড আৰু প্ৰুচিয়াক চুইদিছ পোমাৰানিয়া এৰি দিছিল। এইদৰে চেক্সনীৰ দৰেই নেপোলিয়নৰ পক্ষ অৱলম্বন কৰাৰ বাবে ডেনমাৰ্কক শাস্তি দিয়া হৈছিল আৰু মিত্ৰপক্ষক সহযোগ কৰা বাবে চুইডেন পুৰস্কৃত হৈছিল।

উল্লেখনীয় যে, ভৱিষ্যত ইউৰোপৰ শান্তি আৰু নিৰাপত্তাৰ দিশলৈ লক্ষ্য ৰাখি জাৰ্মানীত যাতে এক শক্তিশালী অখণ্ড ৰাষ্ট্ৰ গঠনৰ সুযোগ নাথাকে তাক সুনিশ্চিত কৰিবলৈ ভিয়েনা মহাসভাই জাৰ্মানীত ৩৯ খন স্বাধীন ক্ষুদ্ৰ ৰাষ্ট্ৰক লৈ এক দুৰ্বল আৰু শিথিল ৰাষ্ট্ৰসমবায় (Confederation) গঠন কৰিলে। ইয়েই 'কনফিডাৰেচ্ছন অব ৰাইন' (Confederation of the Rhine) নামে পৰিচিত। এই সংঘৰ ফ্ৰেংকফৰ্ট নগৰীত এক প্ৰতিনিধি সভা (Diet) থাকিব আৰু ইয়াৰ সভাপতি হ'ব অষ্ট্ৰিয়া। কোৱা বাহুল্য যে এই প্ৰতিনিধি সভাত জনগণৰ প্ৰতিনিধি নহয়, জাৰ্মান ৰাষ্ট্ৰসমূহৰ সাৰ্বভৌম শাসকসকলৰ প্ৰতিনিধিয়ে যোগদান কৰাৰ এই সভাখনৰ মূল লক্ষ্য আছিল জাৰ্মান ৰাজন্যবৰ্গ আৰু অষ্ট্ৰিয়াৰ স্বাৰ্থ সংৰক্ষণ কৰা।

ভিয়েনা মহাসভাৰ দুই-এক ব্যৱস্থাই অৱশ্যে মানৱতাবাদ আৰু আন্তৰ্জাতিক দৃষ্টিভংগীক প্ৰতিধ্বনিত্ব কৰা লক্ষ্য কৰিব পাৰি। উদাহৰণস্বৰূপে এই মহাসভাই দাস ব্যৱসায় বিলুপ্ত কৰাৰ সপক্ষে এক ঘোষণাপত্ৰ জাৰি কৰিছিল। তদুপৰি আন্তঃৰাষ্ট্ৰীয় নদীসমূহত মুক্ত যাতায়াত আৰু আন্তঃৰাষ্ট্ৰীয় আইন ব্যৱস্থাৰ সপক্ষেও ভিয়েনা মহাসভাই মতপোষণ কৰে।